# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 29-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰক্ষী সঞ্চালকপ্ৰধান আৰু আৰক্ষী মহা-পৰিদৰ্শকসকলৰ সৰ্ব ভাৰতীয় সন্মিলনৰ ৬০ সংখ্যক সংস্কৰণত বিভিন্ন সত্ৰত আজি অধ্যক্ষতা কৰিব।

২।	কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি চত্তিশগড়ৰ ৰায়পুৰত অনুষ্ঠিত আৰক্ষী সঞ্চালকপ্ৰধান আৰু আৰক্ষী মহা-পৰিদৰ্শকসকলৰ সৰ্ব ভাৰতীয় সন্মিলনৰ ৬০ সংখ্যক সংস্কৰণৰ উদ্বোধন কৰে।

৩।	চত্তিশগড়ত কালি ১০ জন মাওবাদীয়ে আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰে।	***আৰু***

৪।	লক্ষ্ণৌত অনুষ্ঠিত ছৈয়দ মোদী আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতীয় শ্বাটলাৰ তনবী শৰ্মা, উন্নতি হুডা আৰু কিডাম্বী শ্ৰীকান্তে ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ৰায়পুৰত অনুষ্ঠিত আৰক্ষী সঞ্চালকপ্ৰধান আৰু আৰক্ষী মহা-পৰিদৰ্শকসকলৰ সৰ্ব ভাৰতীয় সন্মিলনৰ ৬০ সংখ্যক সংস্কৰণত অংশগ্ৰহণৰ বাবে কালি সন্ধিয়া চত্তিশগড়ত উপস্থিত হৈছে। নাৱা ৰায়পুৰৰ ইণ্ডিয়ান ইনষ্টিটিউট অৱ মেনেজমেণ্টৰ চৌহদত এই সন্মিলন অনুষ্ঠিত হৈছে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে আজি আৰু কাইলৈ এই সন্মিলনৰ বিভিন্ন সত্ৰত অধ্যক্ষতা কৰিব।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল, বিভিন্ন ৰাজ্যৰ গৃহমন্ত্ৰীসকল, ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত আৰক্ষী সঞ্চালক প্ৰধানসকল আৰু কেন্দ্ৰীয় আৰক্ষীৰ সংস্থাৰ মুৰব্বীসকল এই সন্মিলনত অংশগ্ৰহণ কৰিছে। এই বৰ্ষৰ সন্মিলনৰ মূল বিষয়বস্তু হৈছে- **বিকশিত ভাৰত ঃ নিৰাপত্তাৰ দৃষ্টিভংগীৰে**। এই সন্মিলনত ৰাষ্ট্ৰীয় নিৰাপত্তাজনিত বিষয়সমূহ, উগ্ৰবাদ, সন্ত্ৰাসবাদ, দুৰ্যোগ ব্যৱস্থাপনা, মহিলাৰ নিৰাপত্তা আৰু ফৰেনচিক বিজ্ঞান তথা কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰৰ বিষয়ে আলোচনা অনুষ্ঠিত হ'ব এই সন্মিলনতে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে বিশিষ্ট সেৱাৰ বাবে ৰাষ্ট্ৰপতি আৰক্ষী পদকসমূহ প্ৰদান কৰিব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি চত্তিশগড়ৰ ৰায়পুৰত অনুষ্ঠিত আৰক্ষী সঞ্চালকপ্ৰধান আৰু আৰক্ষী মহা-পৰিদৰ্শকসকলৰ সৰ্ব ভাৰতীয় সন্মিলনৰ ৬০ সংখ্যক সংস্কৰণ উদ্বোধন কৰে। শ্ৰীশ্বাহে ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গতিশীল নেতৃত্বত দেশৰ আভ্যন্তৰীণ নিৰাপত্তাজনিত প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰাৰ লগতে বিভিন্ন সমস্যা চিহ্নিত কৰি তাৰ সমাধানৰ বাবে শক্তিশালী নীতি প্ৰস্তুত কৰাত চৰকাৰ সফল হৈছে বুলি প্ৰকাশ কৰে।

নক্সালবাদৰ প্ৰসংগত শ্ৰীশ্বাহে কয়, যে বিগত ৭ বছৰত কেন্দ্ৰীয় চৰকাৰে নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাৰ উদ্দেশ্যে দুৰ্গম অঞ্চলত ৫৮৬ খন আৰক্ষী চকী স্থাপন কৰিছে। ইয়াৰ ফলত নক্সাল অধ্যুষিত জিলাৰ সংখ্যা ২০১৪ চনত ১২৬ খনৰ পৰা বৰ্তমান ১১ খনলৈ হ্ৰাস পাইছে। পৰৱৰ্তী সন্মিলনৰ পূৰ্বেই দেশ সম্পূৰ্ণৰূপে নক্সালমুক্ত হ'ব বুলিও শ্ৰীশ্বাহে আশা প্ৰকাশ কৰে।

সীমান্ত নিৰাপত্তা ব্যৱস্থাৰ প্ৰত্যাহ্বান সন্দৰ্ভত গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে নক্সালবাদ, উত্তৰ-পূৰ্বাঞ্চল আৰু জম্মু-কাশ্মীৰৰ উগ্ৰবাদ তথা সীমা সমস্যাৰ স্থায়ী সমাধানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে আলোকপাত কৰি কয়, যে ৰাষ্ট্ৰীয় নিৰাপত্তা সংস্থাসমূহক অধিক শক্তিশালী কৰাৰ লগতে দেশত তিনিখন নতুন ফৌজদাৰী আইনৰ প্ৰৱৰ্তন আৰু মাদক দ্ৰব্য তথা সংগঠিত অপৰাধৰ বিৰুদ্ধে কঠোৰ আইনৰ ব্যৱস্থা কৰিছে।

ooooo

দেশৰ প্ৰথমখন স্বদেশী প্ৰযুক্তিৰে নিৰ্মিত আই এন এছ বিক্ৰান্ত্ আৰু আই এন এছ উদয়গিৰিয়ে কলম্বোত শ্ৰীলংকা নৌসেনাৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যালোচনা বৈঠক ২০২৫ত অংশগ্ৰহণ কৰিছে। শ্ৰীলংকাৰ নৌসেনাৰ ৭৫ সংখ্যক বৰ্শপূৰ্তি উদযাপনৰ অংশ হিচাপে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত কেইবাখনো দেশৰ নৌসেনাৰ জাহাজ আৰু প্ৰতিনিধি দলে অংশগ্ৰহণ কৰিছে।প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, আই এন এছ বিক্ৰান্ত্ আৰু আই এন এছ উদয়গিৰিয়ে প্ৰথমবাৰৰ বাবে বহিঃ দেশত অংশগ্ৰহণ কৰিছে। এই অংশগ্ৰহণে ভাৰত মহাসাগৰ অঞ্চলত আৰু অধিক সামুদ্ৰিক সহযোগিতা, আন্তঃকাৰ্য্যক্ষমতা আৰু নিৰাপত্তাৰ দিশক প্ৰভাৱিত কৰিব। ইয়াৰ উপৰিও প্ৰতিৰক্ষা উৎপাদনত দেশৰ ক্ৰমবৰ্ধমান আত্মনিৰ্ভৰশীলতাতো এই অংশগ্ৰহণে প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে। তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা এই অনুষ্ঠানৰ আজি সামৰণি পৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৮ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ প্ৰেৰণ কৰিব পাৰিব। নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চ অথবা ১৯২২ নম্বৰত মিছডকল দিয়াৰ পাছত লাভ কৰা লিংকৰ জৰিয়তেও জনসাধাৰণে আজি পৰ্যন্ত দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব।

ooooo

চত্তিশগড়ত কালি ১০ জন মাওবাদীয়ে জগদলপুৰ আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰে। এই আত্মসমৰ্পণকাৰী সকলৰ ভিতৰত ঝিৰাম ভেলী আক্ৰমণৰ মূল ষড়যন্ত্ৰকাৰী চাইতু ওৰফে শ্যাম দাদাও আছে।

উল্লেখযোগ্য যে ২০১৩ চনত ঝিৰাম ভেলীত সংঘটিত আক্ৰমণত ৩০ গৰাকী লোকৰ মৃত্যু হৈছিল। ইয়াৰ ভিতৰত জ্যেষ্ঠ কংগ্ৰেছ নেতাও আছিল। আক্ৰমণত বহুসংখ্যক লোক আহত হৈছিল।

ooooo

দিল্লী পৌৰ নিগমৰ ১২টা ৱাৰ্ডত কাইলৈ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। পুৱা চাৰে ৭ বজাৰ পৰা বিয়লি চাৰে ৫ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। উপ-নিৰ্বাচন হ'বলগীয়া ৱাৰ্ডসমূহ হৈছে- মুণ্ডকা, শ্বালিমাৰ বাগ-বি, অশোক বিহাৰ, চান্দনী চ'ক, চান্দনী মহল, দ্বাৰকা-বি, ডিচাও কালান, নাৰায়ইণা, সংগম বিহাৰ-এ, দক্ষিণপুৰী, গ্ৰেটাৰ কৈলাশ আৰু বিনোধ নগৰ। মুঠ ৫১ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ২৬ গৰাকী মহিলা আৰু ২৫ গৰাকী পুৰুষ। অহা ৩ ডিচেম্বৰত ভোটগণনা কৰা হ'ব।

ooooo

শ্ৰীলংকাৰ উপকূলত সৃষ্টি হোৱা ঘূৰ্ণীবতাহ দিৎৱাহ ঘণ্টাত ৭ কিলোমিটাৰ বেগেৰে বিগত ৬ ঘন্টাত উত্তৰ-পশ্চিম দিশলৈ গতি কৰিছে। ভাৰতৰ সবাতোকৈ ওচৰৰ সামুদ্ৰিক প্ৰতিবেশী দেশ শ্ৰীলংকা এই পৰ্যন্ত যথেষ্ট ক্ষতিৰ সন্মুখীন হৈছে। বতৰ বিজ্ঞান বিভাগৰ শেহতীয়া প্ৰতিবেদন অনসৰি শ্ৰীলংকাৰ পৰা প্ৰায় ৪০ কিলোমিটাৰ পশ্চিমে এই ঘূৰ্ণীবতাহৰ উৎপত্তি হৈছে। এই উৎপত্তিস্থল কৰাইকলৰ পৰা ২৭০ কিলোমিটাৰ দক্ষিণ-পূৱ, পুডুচেৰীৰ পৰা ৩৮০ কিলোমিটাৰ আৰু চেন্নাইৰ পৰা ৪৯০ কিলোমিটাৰ দক্ষিণে

অৱস্থিত। ঘূৰ্ণীবতাহজাকে কাইলৈ পুৱা শ্ৰীলংকাৰ  উত্তৰ-পশ্চিম দিশে গতি কৰি উত্তৰ তামিলনাড়ু আৰু অন্ধ্ৰপ্ৰদেশৰ  দক্ষিণ-পশ্চিম বংগ উপসাগৰ স্পৰ্শ কৰাৰ সম্ভাৱনা আছে। দিৎৱাহৰ প্ৰভাৱত কালি সন্ধিয়াৰ পৰা ৰাজ্যখনৰ বদ্বীপ অঞ্চলসমূহত বৰষুণ দি আছে। ঘূৰ্ণীবতাহৰ ফলত চেন্নাই আৰু শ্ৰীলংকাৰ মাজত বিমান সেৱাও প্ৰভাৱিত হৈছে। বিমান উৰণত পলম হৈছে, পুনৰ পথ নিৰ্ধাৰণ কৰা হৈছে বা বিমানৰ উৰণ বাতিল কৰা হৈছে। দেওবাৰলৈকে তামিলনাড়ুৰ উপকূলৰ কোনো কোনো অঞ্চলত ঘণ্টাত ৭০ৰ পৰা ৮০ কিলোমিটাৰ পৰ্যন্ত বতাহৰ সম্ভাৱনা থকাৰ বাবে উপকূলীয় অঞ্চলসমূহত সতৰ্কবাণী জাৰি কৰা হৈছে।

00000

চলিত বিত্তীয় বৰ্ষৰ দ্বিতীয় ত্ৰিমাসিকত ৮ দশমিক ২ শতাংশ জি ডি পি বৃদ্ধি হৈছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বৃদ্ধিৰ প্ৰশংসা কৰি কয়, যে চৰকাৰৰ বৃদ্ধি সমৰ্থক নীতি আৰু সংস্কাৰৰ ফলতেই জি ডি পিৰ এই উৎসাহজনক বৃদ্ধি সম্ভৱ হৈছে। তেওঁ লগতে কয়, যে এই বৃদ্ধিয়ে দেশৰ জনসাধাৰণৰ কঠোৰ পৰিশ্ৰম আৰু উদ্যমিতাকো প্ৰতিফলিত কৰিছে। শ্ৰীমোদীয়ে লগতে কয়, যে জনসাধাৰণৰ জীৱন সহজ কৰি তোলাৰ বাবে চৰকাৰৰ এই ধৰণৰ সংস্কাৰ প্ৰক্ৰিয়া শক্তিশালী কৰাৰ প্ৰচেষ্টা অব্যাহত থাকিব।

00000

দেশৰ সকলো শ্ৰেণীৰ জনসাধাৰণক উপকৃত কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ২২ ছেপ্তেম্বৰত সামগ্ৰী আৰু সেৱা কৰ জি এছ টি সঞ্চয় উৎসৱৰ ঘোষণা কৰে।

আজি আমি খাদ্য খণ্ডত হোৱা জি এছ টি সংস্কাৰৰ বিষয়ে আলোকপাত কৰিছো। পৰৱৰ্তী পৰ্যায়ৰ জি এছ টি সংস্কাৰৰ অধীনত চৰকাৰে অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীত ৰেহাই ঘোষণা কৰি সাধাৰণ মানুহক সকাহ প্ৰদান কৰিছে। এই সংস্কাৰৰ অধীনত পৰঠা, ৰুটি, পনীৰ, ব্ৰেডৰ ক্ষেত্ৰত কৰ ৰেহাই দিয়া হৈছে। ইয়াৰ উপৰি মাখন, ঘী, কণ্ডেন্স মিল্ক, জাম আদিৰ ক্ষেত্ৰত কেৱল ৫ শতাংশ কৰহে আৰোপ কৰা হৈছে। একেদৰে নিমকী, ভুজিয়া, মিক্সাৰ, পানীয়, চ'চ, ৰিফাইন ছুগাৰ আদিৰ ক্ষেত্ৰত পূৰ্বৰ ১২ শতাংশৰ পৰা বৰ্তমান ৫ শতাংশ কৰহে আৰোপ কৰা হৈছে।

00000

লক্ষ্ণৌত অনুষ্ঠিত চৈয়দ মোদী আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতীয় শ্বাটলাৰ তনৱী শৰ্মা, উন্নতি হুডা আৰু কিডাম্বী শ্ৰীকান্তে ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। মহিলাৰ ছিংগলছত ১৬ বছৰীয়া শ্বাটলাৰ তনৱী শৰ্মাই কোৱাৰ্টাৰ ফাইনেলত হংকঙৰ চিন য়ান হেপি ল'ক ২১-১৩, ২১-১৯ পইণ্টত পৰাস্ত কৰে। কোৱাৰ্টাৰ ফাইনেলত তেওঁ জাপানৰ হিনা একেচিৰ সন্মুখীন হব। উন্নতি হুডাই নিজ দেশৰ ৰক্ষিতা ৰামৰাজক ২১-১৫, ১৩-২১, ২১-১৬ পইণ্টত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। তেওঁ এইবাৰ তুৰ্কীৰ নেছলিহান আৰিমৰ সন্মুখীন হব। পুৰুষৰ ছিংগলছত কাডম্বী শ্ৰীকান্তে প্ৰিয়াংশু ৰাজাৱাটক ২১-১৪, ১১-৪ পইণ্টত পৰাজিত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। ভাৰতীয় মিক্সড ডাবলছৰ নতুন যুটি তৃষা জলী আৰু হৰিহৰণ আমছাকৰুণনেও ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। তেওলোকে অষ্ট্ৰেলিয়াৰ আন্দিকা ৰামাডিয়ানছিয়া আৰু নোজোমি শ্বিমিজুৰ যুটিক ২১-১৮, ২১-১৪ পইণ্টত পৰাজিত কৰি প্ৰথমবাৰৰ বাবে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

00000

সমাপ্ত